بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ نَحۡمَدُهٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِيۡمِ وَعَلٰی عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৩ নৱেম্বৰত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

কুৰবাণীৰ (উচ্চৰ্গা) দৃষ্টান্ত স্থাপন কৰাটো একমাত্ৰ আহমদী সকলৰেই বৈশিষ্ঠ হয়তো তেওঁ শিশুয়েই হওঁক বা বুঢ়া আৰু পৃথিৱীৰ যিকোনো ঠাইতেই বসবাস কাৰী হওঁক।

আল্লাহ তায়লা কৰক যাতে কিয়ামত (শেষ দিন) লৈ জমাতত এনেকুৱা শিশু আৰু ডেকা, বুঢ়াৰ যেন জন্ম হৈ থাকে যি সকলে আল্লাহ তায়লাৰ বাবে কুৰবাণী কৰাৰ আগ্ৰহ আৰু মনযোগ ৰাখোঁত হয় আৰু নিজৰ শপত পালন কৰোঁতা হয়।

## -ঃ তেহেৰিকে জাদিদৰ নতুন বছৰৰ শুভ ঘোষণা ঃ-

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে তলত উল্লেখিত আয়াত (কোৰ'আনৰ বাক্য) পাঠ কৰে لَنۡ تَنَالُوا الۡبِرَّ حَتّٰی تُنۡفِقُوۡا مِمَّا تُحِبُّوۡنَ ۬ؕ وَ مَا تُنۡفِقُوۡا مِنۡ شَیۡءٍ فَاِنَّ اللّٰهَ بِهٖ عَلِيۡمٌ۔ অৰ্থাৎঃ- যে তুমি কেতিয়াও খৰচ নকৰা যিবোৰ তুমি অতিকৈ ভালপোৱা আৰু তুমি যি খৰচ কৰা নিশ্চয় আল্লাহ তায়লা সেই বিষয়ে ভালদৰে জানে।

উক্ত আয়াতত আল্লাহ তায়লা সেই বৃত্তান্ত উল্লেখ কৰিছে যাৰ বহিঃপ্ৰকাশ আটাইতকৈ বেছি আঁহজৰত (ছাঃ) ৰ চাহাবা সকলে ঘটাইছে। তেখেত সকলে নিজৰ ধন মাল, প্ৰাণ, সময় আদি ধৰ্মৰ বাবে উচ্চৰ্গা কৰিছে। তেখেত সকলেই আলবিৰৰা শব্দৰ গূঢ়াৰ্থ বুজি পাইছিল। অৰ্থাৎঃ- নেকিৰ চৰম শিখৰত উপনীত হৈছিল য'ত আছিল তাকওয়াৰ উচ্চ মানদণ্ড আৰু চাৰিত্ৰিক মানদণ্ড। যি আছিল আল্লাহ তায়লাৰ সন্তুষ্টি লাভৰ উত্তম উপায়। গতিকে এক ৰেৱায়েতত উল্লেখ আছে যে যেতিয়া এই আয়াত অৱতীৰ্ণ হৈছিল তেতিয়া হজৰত আবু তালহা (ৰাঃ) আঁহজৰত (ছাঃ) ৰ ওচৰত আৰজ কৰিছিল যে হে আল্লাহৰ ৰছুল মোৰ এখন বাগান আছে, যি মোৰ আটাতকৈ প্ৰিয় সম্পত্তি, আজি মই সেয়া আল্লাহৰ বাটত ছদকা কৰিলো। যিয়েই নহওঁক আল্লাহ তায়লাৰ কৃপাত আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসৰ মান্য কাৰী সকলে আজি সেই সকলোবোৰ কুৰবাণীৰ দৃষ্টান্ত সকলোতকৈ বেছি স্থাপন কৰিব পাৰিছে। আজি জগতবাসী সকলে যি ধনমাল অৰ্জনৰ পিছত লাগিছে তাতেই আহমদী সকলৰ বহুত সংখ্যক লোক এনেকুৱা আছে যে ধনমাল কুৰবানীৰ ফালে মনত পেলাওতেই তেওঁলোকে নিজৰ ধনমাল আগবঢ়াই দিয়ে। দৰাচলতে এয়া হ'ল হজৰত মছিহ মাওউদ (আঃ) ৰ প্ৰদত্ত তৰবিয়তৰ ফলাফল। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে, জগতত মানুহে ধনমাল আটাইতকৈ বেছি ভাল পায় সেইবাবে, ইলমে তাবিৰুৰ ৰুইয়াকা লিখিছে যে যদি কোনো ব্যক্তিয়ে সপোনত দেখিবলৈ পায় যে তেওঁ নিজৰ কলিজা উলিয়াই কোনোবাজনক দি আছে তেন্তে তাৰ অৰ্থ হ'ল ধনমাল দিয়া। সেই কাৰণেই প্ৰকৃত তাকওয়া আৰু ঈমান অৰ্জনৰ বাবে কৈছে لَنۡ تَنَالُوا الۡبِرَّ حَتّٰی تُنۡفِقُوۡا مِمَّا تُحِبُّوۡنَ যে প্ৰকৃত নেকি তুমি কেতিয়াও লাভ কৰিব নোৱাৰা যেতিয়ালৈকে তুমি সেইবোৰ বস্তুৰ পৰা খৰচ নকৰা যিবোৰ অতিকৈ ভাল পোৱা কাৰণ ইলাহি সৃষ্টিৰ সৈতে সহানুভূতি আৰু বিনয়ী আচৰণত ধনমালৰ ডাঙৰ অংশ এটা খৰচ কৰাৰ প্ৰয়োজনীয়তালৈ ঈঙ্গিত কৰে। নিজৰ সতি-সন্তান আৰু খোদা তায়লাৰ সৃষ্টিৰ সৈতে দয়া এনেকুৱা এটা বস্তু যিটো ঈমানৰ এটা দ্বিতীয় শাখা যাৰ অবিহনে ঈমানে পূৰ্ণতা লাভ কৰিব নোৱাৰে। বান্দাৰ হক (অধিকাৰ) প্ৰদান কৰাও ঈমানৰ অংশ। যেতিয়ালৈকে মানুহে এজনে আনজনৰ মঙ্গল চিন্তা নকৰে কল্যাণ কেনেকৈ সাধিত হ'ব পাৰে। সেয়ে উক্ত আয়াতত এজনে আনজনৰ বাবে লাভালাভ প্ৰদানৰ শিক্ষা আৰু নিৰ্দেশ দিছে। গতিকে আল্লাহ তায়লাৰ বাটত ধনমাল খৰচ কৰাও মানুহৰ সৌভাগ্য আৰু তাকওয়াদাৰী। আবু বক্কৰ (ৰাঃ)ৰ জীৱনত

আল্লাহৰ বাটত উচ্চৰ্গাৰ মান ইমানেই উচ্চ আছিল যে এবাৰ ৰছুলুল্লাহ (ছাঃ) য়ে এটা প্ৰয়োজনত ধৰ্মীয় দান বৰঙনিৰ ঘোষনা কৰে। তেখেত (ৰাঃ) য়ে ঘৰৰ সকলো বয় বস্তু লৈ আনি ৰছুলুল্লাহ (ছাঃ) ৰ আগত আগবঢ়াই দিয়ে।

গতিকে এয়াই হ'ল সেই প্ৰকৃতি আৰু মানদণ্ড যি হজৰত মছিহ মাওউদ (আঃ) য়ে আমাৰ মাজত জন্ম দিব বিচাৰিছে। যেতিয়া মানুহে নিজৰ প্ৰিয় বস্তু আল্লাহ তায়লাৰ বাটত খৰচ কৰে, তাত আল্লাহ তায়লা কৈছে যে- মই তাক আৰু বেছিকৈ দান কৰো অৰ্থাৎ সাত শ গুণক বেছিও দিব পাৰো। আহমদী সকলে এনে কুৰবাণী কৰে আৰু বিশ্বাসও ৰাখে যে আল্লাহ তায়লা আমাক আৰু বেছিকৈ দান কৰিব। আঁহজৰত (ছাঃ) য়ে কৈছে যে, যিজনে নিজৰ পৱিত্ৰ উপাৰ্জনৰ পৰা আল্লাহ তায়লাৰ বাটত এটা খেজুৰ দান কৰে তেন্তে আল্লাহ সেই খেজুৰ সোঁহাতেৰে গ্ৰহন কৰে। আল্লাহ তায়লা পৱিত্ৰ বস্তুহে গ্ৰহন কৰে যদিও সেয়া খেজুৰ এটাৰ সমানও হয় আৰু বঢ়াবলৈ ধৰে ইমানেই যে পাহাৰ সম হৈ যায়। যেনেকৈ তোমালোকে সৰু দমৰা এটাক লালন-পালন কৰি ডাঙৰ ষাঁড় এটা বনাব পাৰা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এই যুগত যেতিয়া আমি আঁহজৰত (ছাঃ) ৰ উক্তিবোৰ শুনিবলৈ পাওঁ, সেয়া কোনো সাধু কথা নহয় বৰং আজিও কুৰবাণী দাতা সকলে নিজা ববীয়া অভিজ্ঞতা লাভ কৰে আৰু তাৰে পৰা তেওঁলোকৰ কুৰবাণীৰ স্পৃহা বাঢ়ি যায় আৰু ঈমান বৰ্দ্ধন হয়। গতিকে তাৰে মই কেইটামান ঘটনা আপোনালোকলৈ বৰ্ণনা কৰিবলৈ আগবাঢ়িছো।

কেমেৰুণৰ মোবাল্লিগ চাহাবে কয় যে তাৰে মোয়াল্লিম আবু বক্কৰ চাহাবে কৈছে যে আব্দুল্লাহ নামৰ এজন আহমদী ভাই, যোৱা বছৰ তাৰ একো আয়-উপাৰ্জন নাছিল এনেকি পৰিয়াল পোহপাল দিয়াই সমস্যা হৈ পৰিছিল। এদিন জুমাৰ নমাজৰ পিছত ছেক্ৰেটাৰী তেহেৰিকে জাদিদ চাঁন্দাৰ ঘোষণা কৰে তেতিয়া আব্দুল্লাহ চাহাবৰ পকেটত নগদ দহ হাজাৰ ফ্ৰাঞ্চ চফিয়া আছিল। তেওঁ সেই ঘোষণা শুনি সকলোখিনি ধন তেহেৰিকে জাদিদৰ চাঁন্দা হিচাপে দিয়ে। কেই দিন মান পিছত আমাৰ কেন্দ্ৰলৈ আহি কয় যে খোদা তায়লা মোৰ চান্দা কবুল কৰিছে কিয়নো এটা প্ৰাইভেট কোম্পানীয়ে মোক এক লাখ ফ্ৰাঞ্চ চফিয়া দৰমহাৰে কামত নিযুক্ত কৰিছে মোৰ চান্দাৰ গুন বেছি। এয়া খোদা তায়লাৰ অশেষ কৃপা গতিকে মই প্ৰথম মাহৰ দৰমহাও চান্দা হিচাপে দিম। আল্লাহ তায়লা উক্ত দুখীয়া লোক জনক কেনেদৰে বৰকত দান কৰিছে। আফ্ৰিকাৰ কাঙ্গঁ ব্ৰাজবিল দেশৰ নমোবাইন আহমদী দাউদ চাহাব। তেওঁৰ আৰ্থিক অভাৱৰ সময়ত কোৱা হয় যে আপুনী প্ৰত্যেক জুমাৰ নমাজ পঢ়িবলৈ মছজিদলৈ আহিব লাগে। যেতিয়া তেওঁ নিয়মিত ভাৱে জুমাৰ নামাজ পঢ়িবলৈ ধৰিলে এদিন তেওঁক আৰ্থিক কুৰবাণী সম্পৰ্কে জনোৱা হ'ল যে খোদা তায়লা যি আপোনাক উপাৰ্জন কৰিবলৈ দিছে তাৰে পৰা আপুনী অলপ হলেও আল্লাহৰ বাটত দিব লাগে। যি খিনি আপুনী খোদা তায়লাৰ বাটত খৰচ কৰিব খোদা তায়লা তাতকৈ বেছি ওভতাই দিব। মোবাল্লিগ চাহাবে কয় যে, মই মানুহ জনক ওভতি যোৱাৰ ভাড়া দি বিদায় দিছিলো। এক সপ্তাহ পিছত জুমাত আহি উপস্থিত হ'ল সেই দিনা মানুহ জনক বৰ আনন্দিত দেখা গৈছিল। তেওঁ কয় যে, আপোনাৰ পৰা চান্দাৰ বিষয়ে শুনাৰ পিছত মই এশ ফ্ৰাঞ্চ চফিয়া চান্দা হিচাপে দিছো। চান্দা দিয়াৰ পিছত যেতিয়া মই ঘৰলৈ ওভতি গৈছো মোৰ চুবুৰীয়া বন্ধু এজনে যিজনে মোৰ ঘৰৰ কেই মাহ ধৰি অলপ খৰি ৰাখি থৈ দিছিল। হঠাৎ সেই খৰি বিলাক নিবলৈ আহে আৰু যোৱাৰ সময়ত মোৰ হাতত চাৰি হাজাৰ ফ্ৰাঞ্চ চফিয়া দি থৈ যায়। মই বৰ আনন্দিত হলো যে চান্দা দি থৈ ঘৰ আহি পাওঁতেই খোদা তায়লা মোক তাৰ চল্লিশ গুণ বেছি দান কৰিলে।

এনেদৰে তানজানিয়াৰ আমিৰ চাহাবে লিখিছে যে, নমোবাইন আবিদ চাহাবে বৰ্ণনা কৰে যে, তেওঁএজন ৰাজমিস্ত্ৰি কিন্তু পাঁচ মাহ ধৰি কাম বন পোৱা নাই। পৰিয়ালত আৰ্থিক অনাটন। মোয়াল্লিম চাহাবৰ পৰা চান্দাৰ ঘোষণা শুনি আৰু আল্লাহ প্ৰদত্ত বৰকতৰ বিষয়ে শুনি পৰিয়ালৰ বাবে খৰচ কৰিবলগীয়া টকা খিনি চান্দাত দি দিয়ে। তাৰ পিছত তেওঁৰ মনত পৰে যে আজি তেওঁৰ ল'ৰা-ছোৱালীয়ে কি খাব। এই বিষয়ে চিন্তা কৰি থাকোতেই খবৰ পালে যে এঠাইত নিৰ্মানৰ কাম চলি আছে তাত গৈ জোখ মাপৰ কাম কৰে। তাত বায়না স্বৰূপ অলপ আগধন দিয়ে। তেতিয়া তেওঁ আচৰিত হৈ পৰে যে আল্লাহ তায়লাৰ বাটত খৰচ কৰাৰ লগে-লগে আল্লাহ তায়লাৰ ফালৰ পৰা বৰকতৰ দুৱাৰ খুলি গৈছে। এতিয়া তেওঁৰ আৰ্থিক অৱস্থাক উন্নতি হৈছে। এতিয়া তেওঁ কেতিয়াও চান্দা দিয়াত অলসতা নকৰে।

মালিফৰিকাৰ লাচিনা চাহাবে কয় যে আগতে মোৰ ব্যাৱসায় ভাল নাছিল কিন্তু চান্দাৰ বৰকতত আল্লাহ তায়লা মোৰ

ব্যৱসায়ত অসাধাৰণ বৰকত দান কৰিছে। আল্লাহ তায়লাৰ কৃপাত তেওঁ মুচিও হৈছে আৰু পাঁচ শৰ সলনি এতিয়া পয়ত্ৰিছ হাজাৰ ফ্ৰাঞ্চ চফিয়া মাহিলি চান্দা আদায় দিয়ে।

ভাৰতৰ বাঙ্গালোৰস্থ এজন মুখলিচ আহমদী ডেকা চাকৰি নোহোৱাত বৰ অভাৱগ্ৰস্থ হৈ পৰিছিল। এনেতে তেহেৰিকে জাদিদৰ ছেক্ৰেটাৰী তাৰ ঘৰলৈ যায়। ছেক্ৰেটাৰী চাহাবে কয় যে মই উক্ত মানুহজনৰ আৰ্থিক দুৰ অৱস্থাৰ কথা শুনি মনে-মনে থকাৰ বাবে তেওঁ মোক সুধিলে যে আপুনী কিবা কব বিচাৰিছে নেকি ? তেতিয়া মই কলো যে আপোনাৰ আৰ্থিক অনাটনৰ বিষয়ে মই জনা নাছিলো কিন্তু মই আপোনাৰ তেহেৰিকে জাদিদৰ এক লাখ টকা বাজেট ধৰাৰ ইচ্ছা কৰিছিলো। কিন্তু এতিয়া আপুনী যিখিনি পাৰে তাকেই লিখি দিয়ক। তেতিয়া জনাবে কয় যে আপুনী এক লাখ টকাই বাজেট লিখি লওঁক। আল্লাহ তায়লাৰ ওপৰত ভৰষা ৰাখো ইনশা আল্লাহ আদায় হৈ যাব। আল্লাহ তায়লাৰ কৃপাত তাৰ চাকৰি হৈ যায় আৰু সম্পূৰ্ণ চান্দা দিয়ে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আল্লাহ তায়লাৰ কৃপাত অধিক সংখ্যক আহমদীয়েই জানে যে এই যুগ হ'ল ইছলাম প্ৰচাৰ সম্পূৰ্ণ হোৱাৰ যুগ। যাৰ বাবে আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ক পঠাইছে। সেয়া কোৰ'আন কৰিমৰ তৰজমা আৰু ছপা হোৱাৰ জৰিয়তে লগতে তেখেত (আঃ) ৰ কিতাপ, জমাতক লিটাৰেচাৰ, মছজিদ নিৰ্মাণ, মিছন হাউচ স্থাপন, জামিয়া প্ৰতিষ্ঠা আদিৰ জৰিয়তে সম্পূৰ্ণ হ'বলৈ লৈছে। যিহেতু এই সকলো বিষয় বৃত্তান্ত সকলো আহমদীয়েই জানে সেয়ে তেওঁলোকে জ্ঞাত যে এই সকলোবোৰ কৰিবলৈ সম্পাদন কৰিবলৈ আৰ্থিক কুৰবানীৰ প্ৰয়োজন আছে গতিকে কুৰবাণী কৰিও আছে। এই বিষয়ে কৰবাত যদি কম-বেছি দেখা গৈছে তেন্তে সেয়া ব্যাৱস্থাপনাৰ ফালৰ পৰা লোকৰ মনযোগ আকৰ্ষণ কৰা হোৱা নাই। এবাৰ ভালদৰে মনত পেলাই দিয়া সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে, এই কথাটো মানিব লাগিব যে বেছি ভাগ লোকেই এতিয়ালৈকে কোৱা নাই যে আমাৰ এই ছিলছিলাৰ বাবে কিছুমান চান্দাৰ প্ৰয়োজন আছে। প্ৰত্যেকজন দুৰ্বল ভাই সকলকও চান্দা দিয়াত চামিল কৰিব লাগে। এজনে আনজনক জনাব লাগে আৰু চান্দাৰ বিষয়ে মনযোগ আকৰ্ষণ কৰিব লাগে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, এই কথাটো আজিও ঠিক যে যেতিয়া মনত পেলাই দিয়া হয় তেতিয়াহে মনত পৰে। যেনেকৈ মই কৈছিলো যে তেহেৰিকে জাদিদ আৰু ওয়াকফে জাদিদৰ সংখ্যা বঢ়াব লাগে ঠিক সেইদৰে বাঢ়ি গৈ আছে। এনেদৰে আহমদী ল'ৰা-ছোৱালীৰ মাজতো কুৰবাণীৰ আগ্ৰহ উপজা দেখিবলৈ পোৱা যায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কণ-কণ ল'ৰা-ছোৱালীৰ আৰ্থিক কুৰবাণীৰ কিছুমান ঈমান উদ্দীপক ঘটনা বৰ্ণনা কৰে। ল'ৰা'ছোৱালীৰ আৰ্থিক কুৰবাণী প্ৰকৃততে এটা নেক চৰিত্ৰৰ লক্ষণ। আল্লাহ তায়লা কৰক যাতে জমাতত কিয়ামত পৰ্যন্ত এনেকুৱা ল'ৰা-ছোৱালী আৰু ডেকা সকলৰ জন্ম হয়, যি সকলে আল্লাহ তায়লাৰ বাবে কুৰবাণী কৰাৰ আগ্ৰহ ৰাখে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আজি মই তেহেৰিকে জাদিদৰ ৮৪ তম বছৰৰ শুভাৰম্ভৰ ঘোষণা কৰিবলৈ লৈছো আৰু যোৱা বছৰৰ কিছুমান সংখ্যা তালিকাও উল্লেখ কৰিম। এতিয়ালৈকে পোৱা ৰিৰ্পোট অনুসৰি এই বছৰত তেহেৰিকে জাদিদত অৰ্থ নিজামত এক কৌটি পচিশ লাখ আশী হাজাৰ পাউণ্ড জমাতে আৰ্থিক কুৰবাণী আগবঢ়োৱাৰ তৌফিক লাভ কৰিছে। আল্ হামদু লিল্লাহ। উক্ত আদায় কৃত ধনৰ পৰিমাণ যোৱা বছৰতকৈ পোন্ধৰ লাখ তিয়াল্লিছ হাজাৰ পাউণ্ড বেছি। উক্ত চান্দা আদায় দিয়াৰ ক্ষেত্ৰত পাকিস্থানক বাদ দি জাৰ্মানি প্ৰথম, দ্বিতীয় হ'ল বৃটেইন, তৃতীয় আমেৰিকা, চৰ্তুথ কানাডা, পঞ্চম ভাৰত, ষষ্ঠ নম্বৰত আছে অষ্ট্ৰেলিয়া, সপ্তম ইণ্ডোনেচীয়া অষ্টম মিডল ইষ্ট, নৱম মিডল ইষ্টৰ জমাত দশম নম্বৰত আছে ঘানা। ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে দহ খন দেশৰ দহটা জমাত চান্দা প্ৰদানৰ পৰিমাণ অনুযায়ী পজিচনৰ এটা তালিকা বৰ্ণনা কৰে। ভাৰতৰ দহখন জমাত ক্ৰমান্বয়ে এনেদৰে আছে (প্ৰথম) কেৰেলা, কৰ্ণাটক, জম্মু কাশ্মীৰ, তেলেঙ্গঁনা তামিলনাডু, উৰিষ্যা, পঞ্জাৱ, বেঙ্গল, দিল্লী আৰু মহাৰাষ্ট্ৰ। ইয়াৰে ডাঙৰ দহখন জমাত ক্ৰমান্বয়ে আছে, কলিকতা, কেৰেলা পাথপৰিম কেৰেলা, কাদিয়ান, হায়দৰাবাদ, কলিকতা, বাঙ্গালোৰ কিনানুৰ টাউন, পেংগাডি, মাযোটিম, কেৰেলাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে দোৱা কৰে যে আল্লাহ তায়লা এওঁলোক সকলোৰে ধনমান আৰু প্ৰাণত সীমাহীন বৰকত দান কৰক। লগতে আৰু উল্লেখ কৰে যে, মই চমুকৈ আন এটা প্ৰস্তাৱ কৰিব বিচাৰো যিটো কেৱল বৃটেনৰ বাবে নিৰ্দ্ধাৰিত আৰু বৰ্তমান পৃথিৱীৰ মূখ্য ব্যক্তি সকল আৰু সম্পদশালী সকলৰ বাবে নিৰ্দ্ধাৰিত। প্ৰায় দুবছৰ আগত মছজিদ বায়তুল ফুতুহত জুই

লাগি এটা অংশ নষ্ট হৈছিল। সেই অংশ পুনৰ নিৰ্মানৰ পৰিকল্পনা হাতত লোৱা হৈছে। যিয়েই নহওক প্ৰয়োজন অনেক আছে, যিমান দুৰ সম্ভৱ আমি ইয়াক ভালকৈ আৰু ডাঙৰকৈ বনোৱাৰ চেষ্টা কৰিব লাগিব। সেই সকল লোক, যি সকলে প্ৰথমে এই মছজিদ নিৰ্মানত ভাগ লব নোৱাৰিছিল, তেওঁলোকে এতিয়া এই নিৰ্মাণ কাৰ্য্যত ভাগ লৱ পাৰে। কাৰণ এয়া বৃটেইনৰ জমাতে নিৰ্দ্ধাৰণ কৰা কাৰ্য্য সেয়ে এয়া হ'ল বৃটেইনৰ আহমদী সকলৰ কাম, গতিকে ইয়াত ভাগ লোৱা উচিত। লগতে পৃথিৱীৰ বিভিন্ন দানশীল ব্যক্তি সকলেও ইয়াৰ নিৰ্মাণ কাৰ্যত অংশ লব পাৰে। জেলি তনজিম বিলাকেও সক্ষম অনুযায়ী ভাগ লোৱা উচিত। ডাঙৰ ডাঙৰ জমাত বিলাকেও সক্ষম অনুযায়ী ভাগ লোৱা উচিত।

হজৰত মছিহ মাওউদ (আঃ) য়ে এবাৰ কৈছে যে, আলমগীৰৰ (ঔৰংজেব) যুগত শ্বাহী মছজিদত জুই লাগিছিল। মানুহে দৌৰী গৈ বাদশ্বাহক খবৰ দিয়াত বাদশ্বাহ ছিজদাত গৈ খোদা তায়লাৰ শলাগ লৈছিল। মানুহে তাৰ কাৰণ সুধিছিল, মহাৰাজে উত্তৰত কৈছিল যে খোদা তায়লা মোৰ বাবে নেকি অৰ্জনৰ বাট মুকলি কৰিছে কাৰণ উক্ত মছজিদ নিৰ্মাণত মই ভাগ লব পৰা নাছিলো এতিয়া সেই সুবিধা আল্লাহ তায়লা দান কৰিছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, গতিকে যি সকলে প্ৰথমে এই কুৰবাণীত অংশ লব পৰা নাছিল তেওঁলোকে যেন ভাগ লয়। তিনি বছৰৰ ভিতৰত প্ৰত্যেকেই যেন নিজৰ বাজেট অনুযায়ী টকা আদায় দিয়ে। আল্লাহ তায়লা বৃটেইনৰ জমাতক এই পৰিকল্পনা সমাপ্ত কৰাৰ তৌফিক দান কৰক। অৱশেষত হুযুৰ (আইঃ) য়ে মকৰৰম আদল হমুদ নাখোজা চাহবৰ (ইয়ামিন) নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। (ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 3 November 2017**

## BOOK POST (PRINTED MATTER)

**To**

------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**